**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-06-2024
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
-----------------------------

১। জ্যেষ্ঠ বিজেপি সাংসদ ওম বিৰলা পুনৰ লোকসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকসভাত নৱগঠিত মন্ত্ৰী পৰিষদৰ সদস্যসকলক পৰিচয় কৰাই দিয়ে।

৩। নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ পহিলা জুলাইৰ পৰা প্ৰযোজ্য হ'ব।

৪। বিদেশ মন্ত্ৰী ডঃ এছ্‌ জয়শংকৰে আজি ম্যানমাৰৰ বিদেশ মন্ত্ৰীৰ সৈতে দেশখনৰ ভাৰত সীমান্তৱৰ্ত্তী এলেকাত অব্যাহত থকা হিংসা আৰু অস্থিৰতাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে।

আৰু

৫। আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া ছেমি ফাইনেলত আফগানিস্তান দক্ষিণ আফ্ৰিকাৰ আৰু ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

জ্যেষ্ঠ বিজেপি সাংসদ ওম বিৰলা পুনৰ লোকসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। পদটোৰ বাবে সাংসদ কে সুৰেশক প্ৰক্ষেপ কৰা কংগ্ৰেছ দলে সদনত ভোটগ্ৰহণৰ দাবী উত্থাপন নকৰাৰ পৰিপ্ৰেক্ষিতত পূৰ্বৰ লোকসভাৰ অধ্যক্ষগৰাকী মৌখিক ভোটত একেবাৰে দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হয়। ইয়াৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিৰোধী দলপতি ৰাহুল গান্ধী আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে তেওঁক অধ্যক্ষৰ আসনলৈ আগবঢ়াই নিয়ে। ইয়াৰ পূৰ্বে আজি পুৱা সদন মিলিত হোৱাৰ সময়ত প্ৰধানমন্ত্ৰী মোদী আৰু এন ডি এৰ আন ১২ গৰাকী নেতাই লোকসভাৰ অধ্যক্ষ পদৰ বাবে শ্ৰীবিৰলাৰ নাম প্ৰস্তাৱ কৰে। আনহাতে বিৰোধী পক্ষৰ হৈ শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ নেতা অৰবিন্দ সাৱন্ত, এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলে আৰু সমাজবাদী পাৰ্টিৰ সাংসদ আনন্দ ভাদৌৰীয়াই কংগ্ৰেছ সাংসদ কে সুৰেশৰ নাম প্ৰস্তাৱ কৰে।

শ্ৰীবিৰলাই নিজৰ ভাষণত লোকসভাৰ অধ্যক্ষ ৰূপে কাম কৰাৰ সুযোগ প্ৰদান কৰাৰ লগতে তেওঁৰ প্ৰতি আস্থা প্ৰদৰ্শন কৰাৰ বাবে সদনৰ সকলো সদস্যক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীবিৰলাই কয় যে তেওঁ সংসদীয় প্ৰমূল্য আৰু গণতান্ত্ৰিক পৰম্পৰা সমৃদ্ধ কৰাত অগ্ৰাধিকাৰ দিব। তেওঁ কয় যে বিগত দশকত জনসাধাৰণৰ আশা-আকাংক্ষা বৃদ্ধি পাইছে আৰু তেওঁলোকৰ আশা-আকাংক্ষা পূৰণৰ হকে সমূহীয়াভাৱে কাম কৰাটো

সাংসদসকলৰ দায়িত্ব। সদনত অচলাৱস্থাৰ পৰিৱৰ্তে বিতৰ্ক আৰু আলোচনাৰ পথ গ্ৰহণ কৰা উচিত বুলি অধ্যক্ষগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যেপ্ৰতিবাদ সাব্যস্তকৰণৰ মাধ্যম সংসদৰ গৰিমা অনুযায়ী হ'ব লাগে। অধ্যক্ষই সদনৰ গৰিমা আৰু মৰ্যাদা অক্ষুণ্ণ ৰখাৰ বাবে কঠোৰ ব্যৱস্থা ল'বলগীয়া হয় বুলিও তেওঁ প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধ্যক্ষৰূপে নিৰ্বাচিত হোৱাৰ বাবে শ্ৰীবিৰলাক অভিনন্দন জনাই কয় যে তেওঁ পুনৰ নিৰ্বাচিত হোৱাৰ লগে লগে নতুন ইতিহাসৰ সৃষ্টি হ'ল। প্ৰধানমন্ত্ৰীয়ে কয় যে, সদনত পৰৱৰ্তী ৫ বছৰৰ বাবে শ্ৰীবিৰলাই আগবঢ়াবলগীয়া দিহা-পৰামৰ্শৰ বাবে সকলোৱে আগ্ৰহেৰে অপেক্ষা কৰিছে। এগৰাকী সাংসদ হিচাপে শ্ৰীবিৰলাৰ ভূমিকা সংসদৰ নতুন সদস্যসকলৰ বাবে অনুপ্ৰেৰণাৰ কাৰণ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অধ্যক্ষগৰাকীৰ নেতৃত্বত পূৰ্বৰ লোকসভাত কেইবাখনো ব্যতিক্ৰমী বিধেয়ক গৃহীত হৈছিল বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, সাংসদসকলৰ আচাৰ-ব্যৱহাৰ আৰু দায়বদ্ধতাই সংসদীয় গণতন্ত্ৰৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি কৰে। একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও লোকসভাৰ অধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত হোৱা বাবে শ্ৰীবিৰলাক অভিনন্দন জনাইছে।

বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়েও নৱনিৰ্বাচিত অধ্যক্ষ শ্ৰীবিৰলাক অভিনন্দন জনাই কয় যে, এই সদনে জনসাধাৰণৰ কণ্ঠক প্ৰতিনিধিত্ব কৰে। সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত বিৰোধী পক্ষই সহায় সহযোগিতা আগবঢ়াব বুলিও তেওঁ শ্ৰীবিৰলাক নিশ্চিত কৰি দিয়ে। তেওঁ লগতে কয় যে, বিশ্বাস আৰু আস্থাৰ লগতে বিৰোধী পক্ষৰ ব্যক্তব্য উত্থাপনৰ বাবে লাভ কৰা অনুমতিৰ জৰিয়তে সকলো পক্ষৰ সহযোগিতা সম্ভৱ হৈ উঠে। একেদৰে সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱেও বিৰোধী পক্ষই তেওঁলোকৰ বক্তব্য উত্থাপনৰ বাবে প্ৰয়োজনীয় সময় লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে তৃণমূল কংগ্ৰেছৰ সাংসদ সুদীপ বন্দোপাধ্যায়ে সপ্তদশ লোকসভাত বিৰোধী দলৰ সাংসদৰ বৰ্খাস্তকৰণৰ প্ৰসংগটো উত্থাপন কৰি কয় যে, সদনত উপযুক্ত আলাপ-আলোচনাৰ জৰিয়তেহে বিধেয়ক গৃহীত হোৱা উচিত।

০০০০০০০

লোকসভা অধ্যক্ষ নিৰ্বাচনৰ সময়ত অস্থায়ী অধ্যক্ষই ভোট বিভাজনৰ দাবী গ্ৰহণ নকৰা বুলি উঠা অভিযোগ খণ্ডন কৰি কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কৈছে যে বিৰোধী পক্ষই এই সন্দৰ্ভত কোনো আনুষ্ঠানিক দাবী উত্থাপন কৰা নাছিল।

সংসদ ভৱনৰ বাহিৰত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে কয় যে চৰকাৰে ভোট বিভাজনৰ প্ৰস্তাৱ আনিব বিচাৰিছিল যদিও মৌখিক ভোটৰ সময়ত বিৰোধী পক্ষই এই সন্দৰ্ভত কোনো আনুষ্ঠানিক দাবী উত্থাপন কৰা নাছিল।

ইপিনে, তৃণমূল কংগ্ৰেছৰ সাংসদ কল্যাণ বেনাৰ্জী আৰু অভিষেক বেনাৰ্জীয়ে অস্থায়ী অধ্যক্ষ ভৰ্তৃহৰি মেহতাবে একাংশ বিৰোধীয়ে উত্থাপন কৰা ভোট বিভাজনৰ দাবীৰ প্ৰতি কাণষাৰ নিদিয়া বুলি অভিযোগ উত্থাপন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লোকসভাত নৱগঠিত মন্ত্ৰী পৰিষদৰ সদস্যসকলক পৰিচয় কৰাই দিয়ে। লোকসভা অধ্যক্ষ নিৰ্বাচনৰ পাছতে শ্ৰীমোদীয়ে নিম্ন সদনত কেবিনেট মন্ত্ৰী স্বতন্ত্ৰ ৰাজ্যমন্ত্ৰী আৰু

ৰাজ্যমন্ত্রীসকলক পৰিচয় কৰাই দিয়ে। পাছত অধ্যক্ষ বিৰলাই ১৯৭৫ চনৰ ২৫ জুনত জৰুৰীকালীন অৱস্থা বলবৎ কৰাৰ কথা স্মৰণ কৰি কয় যে সদনে ইয়াৰ গৰিহণা দিয়ে। তেওঁ লগতে জৰুৰীকালীন অৱস্থাৰ বিৰোধিতা কৰা, আতিশয্যৰ বিৰুদ্ধে যুঁজ দিয়া তথা গণতন্ত্ৰক সুৰক্ষিত কৰাৰ দায়িত্ব পালন কৰাসকলৰ দৃঢ়তাৰ শলাগ লয়। দেশৰ ইতিহাসত এই দিনটো সদায় ক'লা অধ্যায় ৰূপে পৰিগণিত হৈ থাকিব বুলি শ্ৰীবিৰলাই উল্লেখ কৰে। তেওঁ কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন অৱস্থা বলবৎ কৰিছিল আৰু বাবা চাহেব আম্বেদকাৰে প্ৰণয়ন কৰা সংবিধানৰ ওপৰত আক্ৰমণ চলাইছিল। বিৰলাই সদনত মন্তব্য কৰাৰ সময়ত কংগ্ৰেছৰ সদস্যসকলে চৰকাৰৰ বিৰুদ্ধে শ্লোগান দিয়ে। প্ৰতিবাদী সদস্যসকলে চৰকাৰে সংবিধানৰ আওকাণ কৰা বুলি অভিযোগ উত্থাপন কৰে। সদনে লগতে জৰুৰী অৱস্থাত প্ৰাণ হেৰুওৱা লোকসকলৰ স্মৃতিত মৌনতা অৱলম্বন কৰে। সদনে জৰুৰীকালীন অৱস্থা বলবৎকৰণৰ বিৰোধিতা কৰি এটা প্ৰস্তাৱো গ্ৰহণ কৰে। পাছত সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়।

০০০০০০০

নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ পহিলা জুলাইৰ পৰা প্ৰযোজ্য হ'ব। সংসদৰ শীতকালীন অধিবেশনৰ সময়ত এই বিধেয়ককেইখন গৃহীত হৈছে। নতুন আইন তিনিখন ভাৰতীয় নাগৰিকৰ সৱলীকৰণৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব। সকলোৰে বাবে সুলভ, সহায়ক আৰু দক্ষ ন্যায় ব্যৱস্থা গঢ়ি তোলাই এই আইনকেইখনৰ মূল উদ্দেশ্য। নতুন ফৌজদাৰী আইনকেইখনৰ ঘাই ব্যৱস্থাসমূহৰ ভিতৰত ঘটনাৰ অনলাইন অৱগতকৰণ, যিকোনো আৰক্ষী থানাত এজাহাৰ ৰুজু কৰা আৰু ঘটনাৰ বলি হোৱাসকলক এজাহাৰৰ প্ৰতিলিপি প্ৰদান কৰা অন্যতম। ইয়াৰ উপৰি কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিলে তেওঁৰ নিজৰ স্থিতিৰ বিষয়ে পচন্দৰ ব্যক্তিক জনোৱাৰ অধিকাৰ থাকিব। নতুন আইন তিনিখনত লগতে মহিলা আৰু শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ তদন্তত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। এনে ধৰণৰ ঘটনাৰ তথ্য লিপিবদ্ধ হোৱাৰ ২ মাহৰ ভিতৰত সমাধান কৰিব লাগিব।

০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ম্যানমাৰৰ ভাৰত সীমান্তৱৰ্তী এলেকাত অব্যাহত থকা হিংসা আৰু অস্থিৰতাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। শ্ৰীজয়শংকৰে ম্যানমাৰৰ উপ-প্ৰধানমন্ত্ৰী আৰু বিদেশ মন্ত্ৰী ইউ থান শ্বেক নতুন দিল্লীত সাক্ষাৎ কৰে। বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতে এই পৰিস্থিতিৰ সমাধান কৰাৰ বাবে সকলো অংশীদাৰকে অন্তৰ্ভুক্ত কৰিবলৈ ইচ্ছুক। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীজয়শংকৰে কয় যে তেওঁ বিশেষকৈ চোৰাং অস্ত্ৰ সৰবৰাহ, নিচাজাতীয় সামগ্ৰীৰ অবৈধ বেহা তথা মানৱ সৰবৰাহৰ দৰে ঘটনা প্ৰধান প্ৰত্যাহ্বান বুলি গ্ৰহণ কৰে। তেওঁ মায়াৱৰীত আবদ্ধ হৈ থকা ভাৰতীয় নাগৰিকসকলক শীঘ্ৰেই দেশলৈ ঘূৰাই অনাৰ বাবে সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰতো আগ্ৰহী বুলি মন্তব্য কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হবলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ

মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব।

০০০০০০০

আফগানিস্তান কাইলৈ পুৱা ত্ৰিনিদাদৰ ব্ৰায়নলাৰা ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব। আনহাতে, ভাৰত কাইলৈ নিশা গায়ানাত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন শনিবাৰে বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত